**REGIONAL NEWS UNIT**
AKASHVANI, GUWAHATI
0000000000

**Date :** 15-06-2024
**Time :** 18-45 Hrs

***Assamese Evening Bulletin***

- - - - - - - - - - - - - - -

১। বাল্যবিবাহ আৰু নাৰী নির্যাতনৰ গোচৰসমূহৰ অপৰাধীক উচিত শাস্তি বিহাৰ বাবে কঠোৰ পদক্ষেপ ল'বলৈ শিৱসাগৰত ন্যায়িক ভৱন মুকলি কৰি অধিবক্তাসকলৰ প্ৰতি মুখ্যমন্ত্ৰীৰ আহ্বান।

২। ৰঞ্জু হাজৰিকা আৰু ভাৰ্জিন জেক'ভা মছাহাৰীলৈ চলিত বছৰৰ সাহিত্য একাডেমীৰ শিশু সাহিত্য বঁটা। নয়নজ্যোতি শৰ্মা, SELF MADE ৰাণী বড়ো আৰু ছুতপা চক্ৰৱৰ্তীলৈ সাহিত্য একাডেমী যুৱ পুৰস্কাৰ।

৩। ডিব্ৰুগড় জিলাত কলেৰা সদৃশ ৰোগৰ প্ৰাৰ্দুভাৰ্বৰ পিছতেই স্বাস্থ্য বিভাগলৈ মুখ্যমন্ত্ৰীৰ জৰুৰী নিৰ্দেশ।

৪। অৰুণাচলৰ মুখ্যমন্ত্ৰী পেমা খাণ্ডুৰ মন্ত্ৰীসভাৰ সদস্যসকলৰ মাজত দপ্তৰ বিতৰণ। ১২ জনীয়া ৰাজ্যিক মন্ত্ৰীসভাৰ ৯ গৰাকী নতুন সদস্য অন্তৰ্ভুক্ত।

**আৰু**

৫। আই চি চি টি-টুৱেণ্টি বিশ্বকাপ ক্ৰিকেট প্ৰতিযোগিতাত আজি ভাৰত  কানাডাৰ বিৰুদ্ধে অৱতীৰ্ণ।

০০০০

বাল্যবিবাহ আৰু নাৰী নির্যাতনৰ ঘটনাত জড়িত গোচৰসমূহৰ অপৰাধী যাতে সাৰি নাযায় তাৰ বাবে অধিবক্তাসকলক উচিত পদক্ষেপ গ্ৰহণ কৰিবলৈ মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই আহ্বান জনাইছে। তেওঁ শিৱসাগৰ জিলাৰ বিষ্ণুনগৰত নতুনকৈ নিৰ্মাণ কৰা ন্যায়িক আদালতৰ ভৱনৰ আনুষ্ঠানিকভাৱে মুকলি কৰি সমগ্ৰ ৰাজ্যতে আইনী আন্তঃগাঁথনি উন্নত কৰাৰ বাবে চৰকাৰৰ দায়বদ্ধতাৰ ওপৰত গুৰুত্ব আৰোপ কৰে। আদালত ভৱনটো উদ্বোধন কৰি মুখ্যমন্ত্ৰীগৰাকীয়ে কয় যে, চৰকাৰে আইনী আন্তঃগাঁথনি উন্নত কৰাৰ লগতে ৰাজ্যত ন্যায়ৰ সুবিধা সুনিশ্চিত কৰাৰ চেষ্টা চলাই আহিছে। তেওঁ অধিবক্তাসকলক নতুন ন্যায় সংহিতা দৰ্শনৰ লগত সংপৃক্ত হৈ জনসাধাৰণক ক্ষীপ্ৰভাৱে সেৱা আগবঢ়োৱাৰ ক্ষেত্ৰত ব্ৰতী হ'বলৈ আহ্বান জনায়। চৰকাৰৰ বাবে যাতে কোনো ধৰণৰ গোচৰৰ নিষ্পত্তিৰ প্ৰক্ৰিয়াটো লেহেমীয়া নহয় তাৰ বাবেও চৰকাৰে ব্যৱস্থা গ্ৰহণ কৰিছে বুলি তেওঁ মন্তব্য কৰে। শিৱসাগৰ জিলা আদালত একেটা ভৱনত উদ্বোধন হোৱাৰ লগে লগে আইনী প্ৰক্ৰিয়া ক্ষীপ্ৰতাৰে নিষ্পত্তি হ'ব বুলি তেওঁ আশা প্ৰকাশ কৰিছে। লগতে এই পদক্ষেপৰ জৰিয়তে শিৱসাগৰ আৰু ইয়াৰ আশে-পাশে থকা অঞ্চলৰ বাসিন্দাসকলে সুলভ আৰু কাৰ্যক্ষম আইনী সেৱা লাভ কৰিব বুলি তেওঁ কয়। উল্লেখযোগ্য যে প্ৰায় ২৫ কোটি টকা ব্যয় সাপেক্ষে এই ভৱনটো নিৰ্মাণ কৰি উলিওৱা হৈছে। এই ভৱনটো উদ্বোধন কৰাৰ লগে লগে সকলো ন্যায়িক কাৰ্য একেটা ভৱনতে সম্পন্ন হ'ব। এই অনুষ্ঠানত গুৱাহাটী উচ্চ ন্যায়ালয়ৰ মুখ্য ন্যায়াধীশ বিজয় বিষ্ণই অংশগ্ৰহণ কৰি উদ্বোধন কৰা নতুন ভৱনে আইন সেৱাৰ সৈতে জড়িত সকলো ন্যায়িক বিষয়া তথা অধিবক্তাসকলৰ কামক অধিক গতি প্ৰদান কৰিব বুলি মত প্ৰকাশ কৰে।

ইয়াৰ পিছতেই মুখ্যমন্ত্ৰীগৰাকীয়ে যোৰহাটৰ হোলোঙাপাৰত থকা লাচিত বৰফুকন মৈদামত উপস্থিত হৈ শেহতীয়া পৰিস্থিতি সম্পৰ্কে বুজ লয়। আনহাতে তেওঁ আজি কাজিৰঙাৰ সাম্ভাব্য বান পৰিস্থিতিৰ সৈতে মোকাবিলা কৰিবৰ বাবে মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই আজি উদ্যান কৰ্তৃপক্ষৰ সৈতে পৰ্যালোচনা বৈঠকত মিলিত হ'ব।

০০০০০

চলিত বছৰৰ সাহিত্য একাডেমীৰ শিশু সাহিত্য বঁটা অসমীয়া ভাষাত **বিপন্ন বিস্ময় খেল** নামৰ উপ্যানাসৰ বাবে ৰঞ্জু হাজৰিকাই আৰু বড়ো ভাষাত **বুহুমা বৈনীবৰ** নামৰ কাব্য গ্ৰন্থৰ বাবে ভাৰ্জিন জেক'ভা মছাহাৰীয়ে লাভ কৰিছে। আনহাতে সাহিত্য একাডেমী যুৱ পুৰস্কাৰ অসমীয়া ভাষাত **জাল কটা জুই** গল্প সংকলনৰ বাবে নয়নজ্যোতি শৰ্মালৈ আৰু বড়ো ভাষাত **চাইখ্লাম** নামৰ গল্প সংকলনৰ বাবে SELF MADE ৰাণী বড়োলৈ আগবঢ়োৱা হৈছে। আনহাতে বাংলা ভাষাত **দেৰাজে হলুদ ফুল** শীৰ্ষক কবিতা সংকলনৰ বাবে অসমৰ ছুতপা চক্ৰৱৰ্তীয়ে যুৱ পুৰস্কাৰ লাভ কৰিছে।

০০০০০

ডিব্ৰুগড় জিলাৰ নাহৰকটীয়াৰ জয়পুৰ চাহ বাগিছাত ডায়েৰিয়াত আক্ৰান্ত ৩৫ জন শ্ৰমিকৰ ভিতৰত ১০ জন কলেৰাত আক্ৰান্ত হোৱা বুলি চিকিৎসকে নিশ্চিত কৰাৰ পাছত মুখমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই স্বাস্থ্য বিভাগক জৰুৰী নিৰ্দেশ দিছে। ইফালে অঞ্চলটোত ডায়েৰিয়াত আক্ৰান্তৰ সংখ্যা ৮০ লৈ বৃদ্ধি পাইছে। আক্ৰান্তসকলক জয়পুৰ চাহ বাগিছা চিকিৎসালয়ত চিকিৎসা প্ৰদান কৰি থকা হৈছে। উল্লেখযোগ্য যে, ওড়িশা ভ্ৰমণ কৰি অহা অঞ্চলটোৰ এজন লোক ডায়েৰিয়াত আক্ৰান্ত হৈ মৃত্যুমুখত পৰাৰ পাছত লোকজনৰ ঘৰত সকামৰ খাদ্য খোৱাৰ পাছতে ৭৫ জন শ্ৰমিক ডায়েৰিয়াত আক্ৰান্ত হোৱা বুলি প্ৰকাশ কৰা হৈছে। স্বাস্থ্য বিভাগে এই ৰোগৰ সংক্ৰমন নিয়ন্ত্ৰণ কৰাৰ লগতে বিহিত ব্যৱস্থা গ্ৰহণ কৰিছে।

০০০০০

আন্তঃৰাষ্ট্ৰীয় যোগ দিৱসলৈ মাজত কেইটামান দিন বাকী থকা অৱস্থাত দেশৰ অন্যান্য প্ৰান্তৰ লগতে অসমতো এই দিৱসৰ বাবে প্ৰস্তুতি অব্যাহত আছে। এইবাৰৰ এই দিৱসৰ বিষয়বস্তু হৈছে- **মহিলা সৱলীকৰণৰ বাবে যোগ।** দৈনন্দিন জীৱনশৈলী সুস্থ আৰু সুন্দৰ কৰি তোলাৰ বাবে যোগাভ্যাসৰ গুৰুত্ব সমগ্ৰ বিশ্বৰ জনসাধাৰণে উপলব্ধি কৰিছে। ২০১৪ চনত ৰাষ্ট্ৰসংঘত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে দিয়া ভাষণত এই বিষয়ে উত্থাপন কৰাৰ পাছতেই ২০১৫ চনৰ ২১ জুনৰ পৰা ৰাষ্ট্ৰসংঘৰ সাধাৰণ সভাৰ প্ৰস্তাৱ মৰ্মে আন্তঃৰাষ্ট্ৰীয় যোগ দিৱস উদযাপন আৰম্ভ কৰা হয়। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে দশম আন্তৰ্জাতিক যোগ দিৱস উপলক্ষে আজি সামাজিক মাধ্যম এক্স যোগে অৰ্ধচক্ৰাসনৰ এটা ভিডিঅ' পʼষ্ট কৰিছে। ভিডিঅ'টো শ্বেয়াৰ কৰি প্ৰধানমন্ত্ৰীয়ে হৃদযন্ত্ৰ ভালে ৰখা আৰু শৰীৰত তেজৰ চলাচল উন্নত কৰাৰ বাবে এই আসন অভ্যাস কৰিবলৈ সকলোকে আহ্বান জনায়। ভিডিঅ'টোত এই আসন কিদৰে কৰিব লাগে তাৰো বৰ্ণনা দিয়া হৈছে। আনহাতে যোগাভ্যাসৰ গুৰুত্ব আৰু প্ৰসাৰ সন্দৰ্ভত ৰাজ্যিক ক্ৰীড়া সঞ্চালকালয়ৰ যোগ প্ৰশিক্ষক অঞ্জন কৌশিক শৰ্মাই এইদৰে কয়-

***-ভইচ কাষ্ট-***

আন্তঃৰাষ্ট্ৰীয় যোগ দিৱসৰ সৈতে সংগতি ৰাখি শোণিতপুৰ জিলা প্ৰশাসনে সাতদিনীয়া ক্ষণগণনা কাৰ্যসূচী আয়োজন কৰিছে। এই কাৰ্যসূচীৰ আজি দ্বিতীয় দিনা তেজপুৰৰ বামুনি পাহাৰ, ঔগুৰি পাহাৰ আৰু দপৰ্বতীয়াত সমূহীয়া যোগাভ্যাস কাৰ্যসূচী অনুষ্ঠিত হয়। প্ৰতিটো স্থানতে তেজপুৰৰ বিভিন্ন চৰকাৰী বিদ্যালয়ৰ প্ৰায় ৪০ জনকৈ

ছাত্ৰ-ছাত্ৰীৰ লগতে জিলা প্ৰশাসনৰ বিষয়া, নিয়মীয়া যোগাভ্যাসকাৰী আৰু স্থানীয় লোকেও অংশগ্ৰহণ কৰে। দপৰ্বতীয়াত আয়োজিত যোগ অনুষ্ঠানত জিলা আয়ুক্ত দেৱ কুমাৰ মিশ্ৰই অংশগ্ৰহণ কৰি এই দিৱস উদযাপনৰ তাৎপৰ্য, নিয়মীয়া যোগাভ্যাসৰ উপকাৰিতাৰ বিষয়ে উল্লেখ কৰে। লগতে ছাত্ৰ-ছাত্ৰীসকলক দৈনন্দিন জীৱনত যোগাভ্যাস কৰিবলৈ পৰামৰ্শ দিয়ে। এই অনুষ্ঠানত তেজপুৰৰ সশস্ত্ৰ সীমাবলৰ ২০ গৰাকী জোৱানেও অংশগ্ৰহণ কৰে।

মৰিগাঁৱৰ পবিতৰা হাট প্ৰেক্ষাগৃহত প্ৰশাসন আৰু আয়ুষ সঞ্চালকালয়ৰ উদ্যোগত জিলা পৰ্যায়ৰ যোগ প্ৰতিযোগিতা অনুষ্ঠিত হয়। এই প্ৰতিযোগিতাৰ বিজয়ীসকলক অহা ২১ জুনৰ ৰাষ্ট্ৰীয় যোগ দিৱসৰ জিলা পৰ্যায়ৰ কেন্দ্ৰীয় কাৰ্যসূচীত পুৰস্কৃত কৰা হ'ব।

০০০০০

কেন্দ্ৰীয় মন্ত্ৰীৰ দায়িত্ব গ্ৰহণ কৰাৰ পাছত আজি সৰ্বানন্দ সোণোৱালে গুৱাহাটী মহানগৰীৰ বিজেপিৰ কাৰ্যালয়ত উপস্থিত হৈ দলীয় কৰ্মকৰ্তাসকলৰ সৈতে মত বিনিময় কৰে। পুনৰ এবাৰ অসম তথা দেশৰ উন্নয়নৰ হকে কাম কৰাৰ সুযোগ প্ৰদান কৰাৰ বাবে তেওঁ ৰাইজক কৃতজ্ঞতা জ্ঞাপন কৰে। অসমৰ দুগৰাকী প্ৰতিনিধিক মন্ত্ৰীসভাত সুযোগ দিয়াৰ বাবে তেওঁ প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীক ধন্যবাদ জনায়। অনাগত পঞ্চায়ত আৰু উপ-নিৰ্বাচনত বিজেপিয়ে ভাল ফল দেখুৱাবলৈ সমৰ্থ হ'ব বুলি তেওঁ আশা প্ৰকাশ কৰে।

০০০০০

উত্তৰ পূৱ সীমান্ত ৰেলৰে আগৰতলাৰ পৰা ছাব্ৰুমলৈ ছিয়ালদহ-আগৰতলা-ছিয়ালদহ সংযোগী কাঞ্চনজংঘা এক্সপ্ৰেছ আৰু আলিপুৰদুৱাৰ জংছনৰ পৰা লামদিং হৈ আলিপুৰ দুৱাৰ জংছন সংযোগী ইণ্টাৰছিটি এক্সপ্ৰেছৰ সেৱা লামডিঙৰ পৰা মৰিয়নিলৈ সম্প্ৰসাৰণৰ সিদ্ধান্ত লৈছে। কাইলৈৰ পৰা এই সিদ্ধান্ত কাৰ্যকৰী হ্ব। উত্তৰ পূৱ সীমান্ত ৰেলৰেৰ মুখ্য জনসম্পৰ্কৰক্ষী বিষয়া সব্যসাচী দেই প্ৰকাশ কৰা মতে, প্ৰতি মঙল, বৃহস্পতি, শুক্ৰ আৰু দেওবাৰে ছিয়ালদহৰ পৰা কাঞ্চনজংঘা এক্সপ্ৰেছ ৰেলখনে পুৱা ৬ বাজি ৫০ মিনিটত যাত্ৰা কৰিব। আনহাতে, বুধ, শুক্ৰ, শনি আৰু সোমবাৰে এই ৰেলখন নিশা ৮ বজাত চাব্ৰুমত উপস্থিত হ'ব। একেদৰে চাব্ৰুমৰ পৰা মঙল, বৃহস্পতি আৰু দেওবাৰে ৰেলখনে যাত্ৰা কৰি বুধ, শুক্ৰ, দেও আৰু সোমবাৰে সন্ধিয়া ৭ বাজি ২০ মিনিটত চিয়ালদহত উপস্থিত হবগৈ। এই সম্প্ৰসাৰণৰ দ্বাৰা ত্ৰিপুৰাৰ দক্ষিণ অঞ্চলৰ যাত্ৰীসকলে কোলকাতালৈ পোনপটীয়া সংযোগ লাভ কৰিব। ইপিনে, ইণ্টাৰছিটি এক্সপ্ৰেছ ৰেলগাড়ীখন কাইলৈৰ পৰা প্ৰতিদিনে আলিপুৰদুৱাৰ জংছনৰ পৰা ৩ বাজি ৪৫ মিনিটত যাত্ৰা কৰি নিশা ৮ বজাত মৰিয়নিত উপস্থিত হ্ব। আনহাতে, মৰিয়নিৰ পৰা পিছদিনা পুৱা ৯ বাজি ১৫ মিনিটত যাত্ৰা আৰম্ভ কৰি ১২ বাজি ৫০ মিনিটত আলিপুৰদুৱাৰ জংছনত উপস্থিত হ্ব। ৰেলযাত্ৰাৰ এই সম্প্ৰসাৰণে উজনি অসমৰ অঞ্চলসমূহৰ সৈতে বাকী অংশৰ ৰেল যোগাযোগ শক্তিশালী কৰি তুলিব বুলি আশা কৰা হৈছে।

০০০০০

চাংলাং উত্তৰ সমষ্টিৰ বিধায়ক টেছম পংগতে আজি অৰুণাচল প্ৰদেশৰ অষ্টম বিধানসভাৰ অধ্যক্ষ হিচাপে বিনা প্ৰতিদ্বন্দ্বিতাৰে নিৰ্বাচিত হয়। বিধানসভাৰ অধ্যক্ষ নিৰ্বাচনেৰে বিশেষ অধিৱেশন আৰম্ভ হয়। কাৰ্যবাহী অধ্যক্ষ নিনং ইৰিঙে কোনো প্ৰতিদ্বন্দ্বিয়ে মনোনয়ন পত্ৰ দাখিল নকৰাৰ পৰিপ্ৰেক্ষিতত টেছম পংগতে বিনা প্ৰতিদ্বন্দ্বিতাৰে অধ্যক্ষ নিৰ্বাচিত হোৱা বুলি ঘোষণা কৰে। অধ্যক্ষৰ আসন গ্ৰহণ কৰি শ্ৰী পংগতেই তেওঁক এই পদৰ বাবে নিৰ্বাচন কৰাৰ বাবে সদনক ধন্যবাদ জনায়। লগতে পদবীৰ মৰ্যাদা আৰু গণতান্ত্ৰিক পৰম্পৰা অক্ষুণ্ণ ৰাখি দায়িত্ব

পালন কৰি যাব বুলিও তেওঁ প্ৰকাশ কৰে। সদনৰ প্ৰতিগৰাকী সদস্যক ন্যায় প্ৰদানৰ বাবে তেওঁ প্ৰতিশ্ৰুতিবদ্ধ বুলিও শ্ৰী পংগতে উল্লেখ কৰে। অধ্যক্ষ নিৰ্বাচিত হোৱাৰ বাবে শ্ৰী পংগতে মুখ্যমন্ত্ৰী পেমা খাণ্ডুৱে শুভেচ্ছা জনোৱাৰ লগতে অনাগত দিনত ৰাজ্য চৰকাৰে সকলো ধৰণৰ সাহায্য আগবঢ়াব বুলি প্ৰকাশ কৰে। লিকাবিলৰ বিধায়ক কাৰ্ডো য়িগয়'ৰ উপাধক্ষ্য হিচাপে নিৰ্বাচিত হয়।

ইপিনে, মুখ্যমন্ত্ৰী পেমা খাৰ্জুৱে আজি মন্ত্ৰীসভাৰ সদস্যসকলৰ মাজত দপ্তৰ বিতৰণ কৰে। ১২ জনীয়া ৰাজ্যিক মন্ত্ৰীসভাৰ ৯ গৰাকী নতুন সদস্য আছে। উপ মুখ্যমন্ত্ৰী ছোনা মেইনক বিত্ত, পৰিকল্পনা আৰু বিনিয়োগ তথা শক্তি বিভাগৰ দায়িত্ব দিয়া হৈছে। বিধানসভাৰ প্ৰাক্তন অধ্যক্ষ পাছাং দৰ্জী চোনাক শিক্ষা আৰু গ্ৰামোন্নয়ন, বিউৰাম ৱাহাগেক স্বাস্থ্য আৰু পৰিয়াল কল্যাণ, বাংকিলঙক পৰিবেশ আৰু বন বিভাগৰ দায়িত্ব অৰ্পন কৰা হৈছে। একেদৰে দাছাংলু পুলত মহিলা আৰু শিশু বিকাশ সাংস্কৃতিক পৰিক্ৰমা  বিজ্ঞান আৰু প্ৰযুক্তি  বিভাগৰ দায়িত্ব দিয়া হৈছে।

ooooo

ৰাজ্যৰ খাদ্য আৰু অসামৰিক যোগান মন্ত্ৰী তথা বঙাইগাও জিলাৰ অভিভাৱক মন্ত্ৰী ৰণজিত কুমাৰ দাসে আজি জিলা আয়ুক্তৰ কাৰ্যালয়ত বিভিন্ন চৰকাৰী বিভাগৰ মুৰব্বী বিষয়াসকলৰ সৈতে এখন বৈঠক অনুষ্ঠিত কৰি আঁচনিসমূহৰ কাম-কাজৰ পৰ্যালোচনা কৰে। এই বৈঠকত জিলাখনৰ আয়ুক্ত নৱদীপ পাঠকে মন্ত্ৰীগৰাকীক আঁচনিসমূহৰ বিভিন্ন দিশ সন্দৰ্ভত অৱগত কৰে। মন্ত্ৰীগৰাকীয়ে নিৰ্ধাৰিত সময়ত আৰু নিয়াৰিকৈ আঁচনিসমূহৰ কাম-কাজ সম্পন্ন কৰাৰ বাবে  সংশ্লিষ্টসকলক আহ্বান জনায়।

ooooo

অসম মাধ্যমিক শিক্ষা পৰিষদ অৰ্থাৎ চেবাৰ উদ্যোগত  গুৱাহাটীৰ  সোণাৰাম উচ্চতৰ মাধ্যমিক আৰু কামৰূপ একাডেমী উচ্চতৰ মাধ্যমিক বিদ্যালয়ত যোৱা ১১ জুনৰ পৰা অনুষ্ঠিত প্ৰশিক্ষণৰ আজি সামৰণি পৰে। কামৰূপ মহানগৰ জিলাৰ বিদ্যালয়সমূহৰ পৰিদৰ্শক কাৰ্যলয়ৰ উদ্যোগত আৰু জিলাখনৰ অধিবিদ্যা পৰিষদ তথা অভ্যন্তৰীণ পৰীক্ষা বোৰ্ডৰ সহযোগত নতুন শিক্ষানীতিৰ আধাৰত গণিত আৰু বিজ্ঞান বিষয়ত শিক্ষণ পদ্ধতি সম্পৰ্কত এই প্ৰশিক্ষণ অনুষ্ঠিত হয়। এই প্ৰশিক্ষণত জিলাখনৰ ৩৩ টা হাইস্কুল শিক্ষান্ত পৰীক্ষা কেন্দ্ৰৰ অধীনত ৩২৫ খন বিদ্যালয়ৰ একোগৰাকীকৈ গণিত আৰু বিজ্ঞান বিষয়ৰ শিক্ষকক নতুন শিক্ষানীতিৰ আধাৰত শেহতীয়াকৈ যুগুত কৰা দুয়োটা বিষয়ৰ শিক্ষণ পদ্ধতি সম্পৰ্কে খৰচি মাৰি প্ৰশিক্ষণ দিয়া হয়। ১১ গৰাকী মূল প্ৰশিক্ষকে প্ৰশিক্ষণ প্ৰদান কৰে।

ooooo

হাজোৰ ঐতিহাসিক শ্ৰীশ্ৰীহয়গ্ৰীৱ মাধৱ মন্দিৰৰ বিষ্ণু পুস্কৰত থকা  ১১৩ টা দুস্প্ৰাপ্য কাছৰ পোৱালী অসম ৰাজ্যিক চিৰিয়াখানালৈ স্থানান্তৰ কৰা হৈছে। স্থানীয় বিধায়ক সুমন হৰিপ্ৰিয়াৰ লগতে সংশ্লিষ্ট বিষয়াৰ উপস্থিতিত কাছকেইটা ৰাজ্যিক চিৰিয়াখানালৈ লৈ যোৱা হয়। চিৰিয়াখানাত কাছকেইটাৰ স্বাস্থ্য পৰীক্ষা কৰোৱাৰ পাছতে কাজিৰঙা অথবা মানস ৰাষ্ট্ৰীয় উদ্যানত এৰি দিয়া হ'ব বুলি বন বিভাগৰ সূত্ৰই প্ৰকাশ কৰিছে। উল্লেখযোগ্য যে মাধৱ মন্দিৰৰ বিষ্ণু পুস্কৰৰ পৰিসীমাতকৈ কাছৰ সংখ্যা বৃদ্ধি পোৱাৰ পৰিপ্ৰেক্ষিতত এই স্থানান্তৰ কৰা হৈছে। স্থানীয় প্ৰকৃতিপ্ৰেমী প্ৰণৱ মালাকৰৰ প্ৰচেষ্টাত যোৱা ১০ বছৰ ধৰি বিষ্ণু পুস্কৰৰ বিভিন্ন স্থানৰ পৰা কাছৰ পোৱালী সংগ্ৰহ কৰি পোৱালীবোৰ পুখুৰীপাৰৰ কাছগৃহত পালন কৰি থকা হৈছে।

ooooo

লামডিং ৰেলৱে ষ্টেডিয়ামত যোৱা নিশা ৰেল আৰক্ষীয়ে বৃহৎ পৰিমাণৰ বিদেশী চিগাৰেট জব্দ কৰে। আৰক্ষীয়ে এই সন্দৰ্ভত দুজন লোককো আটক কৰে। জানিব পৰা মতে, নামনি অসমৰ ছিয়ালদহ-কাঞ্চনজংঘা এক্সপ্ৰেছৰ এটা ডবাৰ পৰা চিগাৰেটখিনি জব্দ কৰা হয়। আটকাধীন সৰবৰাহকাৰী দুজন কেৰালাৰ বুলি আৰক্ষীয়ে প্ৰকাশ কৰিছে। লোক দুজনে চিগাৰেটখিনি শিলচৰৰ পৰা কেৰালালৈ সৰবৰাহ কৰাৰ চেষ্টা চলাইছিল। জব্দ কৰা চিগাৰেটখিনিৰ বজাৰ মূল্য প্ৰায় ৯ লাখ টকা হব বুলি আৰক্ষীয়ে প্ৰকাশ কৰিছে।

০০০০০

ৰাজ্যৰ দুৰ্নীতি নিবাৰক শাখাই দুৰ্নীতিগ্ৰস্ত বিষয়াসকলৰ বিৰুদ্ধে অভিযান অব্যাহত ৰাখিছে। উৎকোচ লোৱাৰ অভিযোগত আজি দুৰ্নীতি নিবাৰক শাখাই যোৰহাটত ইকবাল আহমেদ নামৰ বন বিষয়াক হাতে-লোটে ধৰা পেলায়। এক লাখ ২০ হাজাৰ টকা উৎকোচ লওঁতেই অভিযানকাৰী দলে বিষয়াজনক গ্ৰেপ্তাৰ কৰে।

০০০০০

সোণোৱাল কছাৰী স্বায়ত্বশাসিত পৰিষদৰ ডিব্ৰুগড় জিলাৰ অন্তৰ্গত ১৩টা সমষ্টি পুনৰ নিৰ্ধাৰণৰ বাবে প্ৰকাশিত খচৰাৰ ক্ষেত্ৰত ওজৰ-আপত্তিৰ দাখিলৰ দিন অহা ৩০ জুন ধাৰ্য কৰা হৈছে। দাবী আৰু আপত্তিসমূহৰ নিষ্পত্তিকৰণৰ অন্তিম দিন অহা ৭ জুলাই। সমষ্টি পুনৰ নিৰ্ধাৰণৰ প্ৰকাশিত খচৰাৰ ক্ষেত্ৰত কিবা দাবী বা আপত্তি থাকিলে সংশ্লিষ্ট ব্যক্তি বা সংগঠনে ডিব্ৰুগড়ৰ জিলা আয়ুক্তৰ কাৰ্যালয়ত নিৰ্ধাৰিত সময়সীমাৰ ভিতৰত আপত্তিসমূহ দাখিল কৰিব পাৰিব।

০০০০০

আকাশবাণী গুৱাহাটীৰ আজি সন্ধিয়া ৭ বাজি ৪৫ মিনিটৰ বিশেষ প্ৰাসংগিক অনুষ্ঠানত যোগ বিশেষজ্ঞ হিমাদ্ৰী নাথ কটকীৰ সৈতে হোৱা সাক্ষাৎকাৰ প্ৰচাৰ কৰা হ'ব।

আনহাতে নিশা ৮ বজাৰ দৃষ্টিপাত অনুষ্ঠানত অসমত যোগৰ প্ৰসাৰ শীৰ্ষক এটা আলোচনা অনুষ্ঠান প্ৰচাৰ কৰা হব। এই অনুষ্ঠানত অসম আয়ুষ অভিযানৰ প্ৰৱন্ধক মানস কমল গগৈ আৰু যোগ বিশেষজ্ঞ দিব্যজ্যোতি ডেকাই অংশগ্ৰহণ কৰিব। শ্ৰোতাসকলে অনুষ্ঠানটি চলি থকাৰ সময়ত ০৩৬১-২৬৬১৬৭৬ আৰু ২৬৬২৩২৫ নম্বৰলৈ ফোন কৰি পোনপটীয়াকৈ অনুষ্ঠানটিত অংশ লব পাৰিব।

০০০০০

কালি সন্ধিয়াৰ পৰা অব্যাহত থকা বৰষুণৰ ফলত বৰপেটা জিলাৰ কেইবাটাও অঞ্চল বানৰ কবলত পৰিছে। সমান্তৰালভাৱে জিলাখনৰ নৈ-উপনৈ সমূহৰো জলস্তৰ বৃদ্ধি পাইছে। হাউলী পৌৰসভা অঞ্চলত কৃত্ৰিম বানৰ সৃষ্টি হোৱাৰ ফলত স্থানীয় লোকসকলে সমস্যাৰ সন্মুখীন হ'বলগীয়া হৈছে। বানৰ বাবে হাউলী উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ পাঠদান ব্যাহত হৈছে। শিক্ষানুষ্ঠানখনৰ শ্ৰেণীকোঠা, কাৰ্যালয় কক্ষ বানত বুৰ যোৱাৰ ফলত পাঠদান স্তব্ধ হৈ পৰে। জিলাখনৰ চাউলখোৱা আৰু নখন্দা নদীৰ জলস্তৰ বৃদ্ধি হোৱাত স্থানীয় লোক শংকিত হৈ পৰিছে।

০০০০০

ভাৰত আজি ফ্লৰিডাত হ'বলগীয়া আই চি চি টি-টুৱেণ্টি বিশ্বকাপ ক্ৰিকেট প্ৰতিযোগিতাৰ গ্ৰুপ পৰ্যায়ৰ নিজৰ অন্তিমখন খেলত কানাডাৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। খেলখন ভাৰতীয় সময় অনুসৰি নিশা ৮ বজাত আৰম্ভ হ'ব।

ইয়াৰ পূৰ্বে, আয়াৰলেণ্ডৰ বিৰুদ্ধে লৌডেৰহিলত হ'বলগীয়া খেলখন নেৰা নেপেৰা বৰষুণৰ বাবে পৰিত্যক্ত ঘোষণা কৰাত আমেৰিকা যুক্তৰাষ্ট্ৰই প্ৰতিযোগিতাৰ ছুপাৰ এইট পৰ্যায়ত স্থান লাভ কৰে। আমেৰিকাই এইবাৰ প্ৰথমবাৰৰ বাবে প্ৰতিযোগিতাৰ ছুপাৰ এইট পৰ্যায়ত প্ৰৱেশ কৰিছে। ভাৰতৰ পাছত আমেৰিকা ছুপাৰ এইট পৰ্যায়ত প্ৰৱেশ কৰা গ্ৰুপ-এৰ দ্বিতীয়টো দল ৰূপে পৰিগণিত হৈছে। ইফাল, পূৰ্বৰ চেম্পিয়ন পাকিস্তান আৰু আয়াৰলেণ্ড প্ৰতিযোগিতাৰ ছুপাৰ এইট পৰ্যায়ৰ দৌৰৰ পৰা বাহিৰ হৈছে।

ooooo

**ঃঃ সমাপ্ত ঃঃ**